**ধাৰাবাহিক - .... অবিৰত খোজ**

**খণ্ড ৩৯ মহাসাগৰীয় পৰিৱেশতন্ত্ৰ ড° অৰনী কুমাৰ ভাগৱতী**

(মূল লেখনীৰ পৰা যৎ সামান্য তথ্য লোৱা হৈছে)

**চৰিত্ৰ সমূহ**

১. দেউতা (অৱসৰপ্ৰাপ্ত শিক্ষক)
২. মা (গৃহিনী)
৩. মৃদুল (উচ্চ শিক্ষিত ডেকা)
৪.হীৰেণ (মহাবিদ্যালয়ৰ ছাত্ৰ)
৫. বন্যা (দশম শ্ৰেণীৰ ছাত্ৰী)

(ৰাতিপুৱাৰ ঘৰুৱা পৰিৱেশ)

দেউতা – হীৰেণ, অ' হীৰেণ ... উঠ, ইমান দেৰিলৈ শুই থাকনে। মোমায়েৰ আহিব নহয়, তেওঁ আহি তোক বিচনাত পালে, বৰ বেয়া পাব। বন্যাই মুখ-হাত ধুই পঢ়া টেবুলত বহিছেই। উঠ, আৰু দেৰি নকৰিবি।

মা – বাবা উঠ, আহ। মৃদুল মামা আহি পালেই।

( আটাইকেইজন ড্ৰয়িং ৰুমলৈ আহে। টি.ভি. টো চলি থাকে। টিভিৰ পৰ্দাত সাগৰ-মহাসাগৰৰ বিষয়ে এজনে ভাষণ দি থকা দেখা যায়।)

বন্যা – মামা, তুমি ভাল সময়তেই আহি পাইছা। টিভিত সাগৰৰ কথা চলি আছে। তুমি যোৱা বছৰ অষ্ট্ৰেলিয়ালৈ যাওঁতে মহাসাগৰ অতিক্ৰম কৰিছিলা নহয়, কেনে মাগিছিল কোৱাচোন।

হীৰেণ – বিমানেৰেহে গৈছিলো। কেনে লাগিব আৰু!

দেউতা – দে তহঁতে কথা পাত। ভাল কথা ওলাইছে। বন্যা, তই সেই গ্লোবটো লৈ নান কিয়। মৃদুলে কথাবোৰ ভালদৰে বুজাই দিব।

(মাকে লুচি-ভাজি লৈ সোঁমাজৰ টেবুলত থয়হি।)

মৃদুল – বাইদেৱে লুচি-ভাজি আনিলেই।

মা – হ’ব দে, খা। ইহঁতে দেওবাৰে ৰাতিপুৱা লুচি-ভাজি খায়েই।

বন্যা – এইবোৰ খাই খাই কথা পাতি বৰ ভাল লাগিব, নহয়নে মামা?

হীৰেণ – মামা, সাগৰ – মহাসাগৰ সম্বন্ধে মোৰ জ্ঞান তেনেই সীমিত। স্কুলৰ পাঠ্যপুথিত যে অলপ পঢ়িছিলো, তাৰ পিছত আৰু একো পঢ়া নাই।

মৃদুল – তুম ঠিকেই কৈছা। সাগৰ – মহাসাগৰ যে পৃথিৱীৰ পৰিবেশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে, সেই কথাৰ প্ৰতি আমি এতিয়াও বিশেষ মনোযোগ দিয়া নাই।

বন্যা – (গ্লোবটো ঘূৰাই) মামা, আমি যে কেইবাখনো মহাসাগৰৰ কথা কওঁ, গ্লোবটোত দেখিছো – আটাইকেখন মহাসাগৰ লগ লাগিয়েই আছে দেখোন।

মৃদুল – তুমি সঠিক কথাকে কিছা। প্ৰশান্ত মহাসাগৰ, আটলান্টিক মহাসাগৰ, ভাৰত মহাসাগৰ, উত্তৰ বা আৰ্কটিক মহাসাগৰ, দক্ষিণ মহাসাগৰ – এই আটাইকেখন মহাসাগৰে লগ লাগি মহাদেশ কেইখনৰ কেউকাষে বিশাল জলমণ্ডলৰ সৃষ্টি কৰিছে। এই মহাসাগৰবোৰ বিচিত্ৰ প্ৰাণী আৰু উদ্ভিদৰ ভঁৰালস্বৰূপ। এই বিষয়ে সাধাৰণ ৰাইজৰ লগতে ছাত্ৰ – ছাত্ৰীসকলেও ভালদৰে জনাটো দৰকাৰ।

দেউতা- (কাঁহ মাৰি সোমাই আহে) মৃদুল, সলুদ্ৰবিজ্ঞান সম্বন্ধে তুমি বহু কথাই জানা। তুমিতো সেই বিষয়তে উচ্চ শিক্ষা লাভ কৰিছা। কোৱাচোন বাৰু – টিমি মাছৰ দৰে সেই বৃহৎ প্ৰাণীবোৰ সমুদ্ৰত কেনেকৈনো বৰ্তি থাকে।

হীৰেণ – ময়ো সামাক সেই কথাটোকে সোধো বুলি ভাবি আছিলো।

বন্যা – আঃ ভয়েই লাগে! সেই যে নীলা টিমি, মানে Blue Whale ৰ লোমহৰ্ষক কাহিনীবোৰ!

মৃদুল – (মৃদু হাঁহিৰে …) টিমি হৈছে পৃথিৱীত এতিয়ালৈকে পোৱা প্ৰাণীবোৰৰ ভিতৰত সৰ্ববৃহৎ। টিমিৰ প্ৰজাতিবোৰৰ ভিতৰত নীলা টিমি আটাইতকৈ ডাঙৰ। ই যথেষ্ট দীঘল হয়। ১৫ জন মানুহে ইজনৰ ভৰিত সিজনে মূৰ থৈ দীঘলীয়াকৈ শুই দিলে যিমান হ’ব, নীলা টিমি এটাৰ দৈৰ্ঘও সিমান হ’ব। একোটা নীলা টিমিৰ ওজন ১৩০ টন পৰ্য্যন্ত হয়।

বন্যা, তুমি যে সুধিছিলা টিমি মাছেনো কি খায় - … তুমি নিশ্চয় ভাবিছা যে ইমান ডাঙৰ টিমিয়ে নিশয় কিবা ডাঙৰ প্ৰাণীক ভক্ষন কৰিব। পিছে, জালি আচৰিত হ’বা যে ইয়াৰ প্ৰধান খাদ্য হৈছে ক্ৰিল ( Krill)। ই এবিধ ক্ষুদ্ৰ সাগৰীয় প্ৰাণী। দক্ষিন মহাসাগৰত এই বিধ প্ৰাণী বেছিকৈ পোৱা যায়। এটা নীলা টিমিয়ে দৈনিক ৪ (চাৰি) কৌটিমান ক্ৰিল ভক্ষণ কৰে। এইখিনিৰ ওজন হাতী এটাৰ ওজনতকৈ বেছি হ’ব।

হীৰেণ আৰু বন্যা – আঃ, সঁচা কৈছা নে মামা?

মৃদুল – টিমি মাছৰ বিষয়ে পঢ়িলে এইবোৰ কথা সহজে বুজি পাবা। মাউদ্রিক প্ৰাণীবোৰৰ আচৰণ – বিচৰণ সম্বন্ধীয় কথাবোৰ সঁচাই বৰ আমোদজনক। পিছে, মই এতিয়া তোমালোকক এটা কথাহে ক'ব খুজিছো।

হীৰেণ আৰু বন্যা – কি কথা?

(এনেতে মা সোমাই আহে)

মা – এহ্ , কথাৰ মহলা মাৰি লুচিখিনিকে শেষ কৰিব পৰা নাই? এই চাহ লোৱা, দেৰি কৰিলে ঠাণ্ডা হৈম যাব কিন্তু।

মৃদুল – (হাতত চাহৰ কাপ লৈ) এটা কথা ভাবাচোন – সাগৰৰ অতি গভীৰ অংশৰ পানীভাগত ওপৰৰ বিশাল পানীভাগে কি ধৰণৰ হেঁচা দিব পাৰে। অন্য এটা কথা – সাগৰপৃষ্ঠৰ পৰা মাত্ৰ ১৫০ মিটাৰমান গভীৰতালৈহে সূৰ্য্যৰ পোহৰ সোমাব পাৰে। তাৰ পৰা তললৈ সম্পূৰ্ণ এন্ধাৰ। অৰ্থাৎ গভীৰ সাগৰৰ পানীভাগ অত্যন্ত চাপ আৰু অন্ধকাৰ অৱস্থাত থাকে। তেনে পানীভাগত উষ্ণতাও আপেক্ষিক ভাৱে কম। এই ধৰণৰ পৰিৱেশত বৰ্ত্তি থাকিব পৰা প্ৰানী আৰু উদ্ভিদহে কেৱল গভীৰ সমুদ্ৰত পোৱা যায়।

হীৰেণ – হয়তো, তেনেকুৱা পৰিৱেশতো যে জীৱ থাকিব পাৰে, ভাবিবই নোৱাৰি।

বন্যা – সাগৰ মহাসাগৰৰ সিমান গভীৰতাতো যে প্ৰানী থাকিব পাৰে, জনাই নাছিলো।

দেউতা – ( আনন্দেৰে সোমাই আহে) কেন চলিছে? বন্যাই অৱশ্যে ঠিকেই কৈছে। পিছে, আমি মানুহবোৰো জানো এক ধৰণৰ সমুদ্ৰৰ তলিত থকা নাই? কিয়, পৃথিৱীখনৰ বায়ুৰ সমুদ্ৰৰ তলিত আমি জীৱকূলো দেখোন জীয়াই আছো। নে কি কোৱা মৃদুল?

বন্যা – দেউতায়ো যে কয়! বায়ুৰ সমুদ্ৰক পানীৰ সমুদ্ৰৰ লগত তুলনা কৰিব পাৰি জানো?

মৃদুল – তেখেতে সহজতে বুজইব পৰাকৈ যুক্তিসংগত ভাৱেই কথাটো কৈছে। বায়ুমণ্ডলৰ ভিতৰত আমি কেনেকৈ জীয়াই আছো, সেইটোও বিচাৰ কৰিব লগীয়া কথা। পিছে, অন্য এটা কথালৈহে মই তোমালোকৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো।

হীৰেণ – কওঁকচোন বাৰু?

বন্যা – কিবা আমোদজনক কথা নেকি?

দেউতা – মহাসাগৰৰ সকলো কথাই আমোদজনক। মোমায়েৰৰ পৰা কথাবোৰ ভালদৰে বুজি ল। … মৃদুল, তুমি বহা। মই অকণমান নামঘৰৰ ফালে ওলাই যাওঁ।

মৃদুল – যাওঁ বাৰু। ময়ো সোনকালে যাব লাগিব।

বন্যা – মৃদুল মামা, সেইটো নহ'ব কিন্তু। দুপৰীয়া ভাত – চাত খাইহে যাব পাৰিবা। আমাৰ আকৌ বহুতো বুজিব লগীয়া আছে।

হীৰেণ – আপুনি নতুন কিবা এটা ক'ব খুজিছিল নহয়।

মৃদুল –হয়। মই তপ্তজলীয় ছিদ্ৰৰ কথা ক'ব বিচাৰিছো। ইংৰাজীত ইয়াক hydrothermal vent বুলি কোৱা হয়। এইটো এনে এটা প্ৰক্ৰিয়া যিয়ে সমুদ্ৰৰ গভহিৰ জলভাগৰ শীতলতা কিছু পৰিমাণে হ'লেও হ্ৰাস কৰে। সাগৰতলিত থকা ছিদ্ৰ বা ফাঁটেৰে পৃথিৱীৰ অন্তৰ্ভাগৰ উত্তাপ নিৰ্গত হৈ পানীভাগৰ উষ্ণতা বৃদ্ধি কৰে। আমআৰ স্থলভাগত যে উষ্ণ পানীৰ প্ৰস্ৰৱন – hot water spring - আছে, ঠিক তেনেকৈ সাগৰ-মহাসাগৰৰ তলিভাগতো উষ্ণ পানীৰ ওপৰমুৱা প্ৰাৱাহ পৰিলক্ষিত হয়।

হীৰেণ – তাৰ মানে আমাৰ নামবৰ হাবিত থকা গৰম পানীৰ উঁহৰ দৰে –।

বন্যা – দাদা, যোৱা বছৰ যে আমি গৈ চাইছিলো, সেইটোৰ কথা কৈছা নেকি?

হীৰেণ – অ', সেইটোৰ কথাকে কৈছো।

মৃদুল – হয়, কথাটো প্ৰায় তেনেকুৱাই। সেই উষ্ণ নিৰ্গমনত পৃথিৱীৰ অভ্যন্তৰৰ পৰা মাণিকজাতীয় পদাৰ্থ ওলাই আহে আৰু সেইবোৰে জলভাগত অনুজীৱৰ সৃষ্টি আৰু বৃদ্ধিত সহায় কৰে। সেইবোৰ অনুজীৱক আকৌ ডাঙৰ জীৱই ভক্ষণ কৰে। এইদৰে তপ্তজলীয় ছিদ্ৰ থকা সাগৰৰ তলিৰ জলভাগত জীৱৰ স্থিতি আৰু প্ৰাধাণ্য বৃদ্ধি পায়।

বন্যা – মৃদুল মামা, তোমাৰ কথাবোৰ শুনি আমাৰ ওচৰৰ বিলখনৰ কথা মনলৈ আহিছে। সেইটোও এটা জলাশয়। তাতো মাছকে ধৰি কিমানবোৰ যে জীৱ আছে। এবাৰ বিলখনলৈ গৈ আহো বলক। ধুনিয়াকৈ পদুম ফুল ফুলি আছে।

হীৰেণ – ঠিকেইতো, বন্যাই ভাল প্ৰস্তাৱ আগবঢ়াইছে। সেইফালে ওলাই গ'লে ভালেই লাগিব। মুকলি পৰিৱেশত এনে ধৰণৰ কথা পাতিলে বৰ ভাল লাগিব। ৰ'বআ, মা দেউতাক কৈ আহো।

( তিনিও গাৱঁলীয়া বাটেৰে বিলখনলৈ আগুৱায়)

বন্যা – (কাষৰীয়া হাবিলৈ আঙুলিয়াই) মামা, এই যে বিৱহিন্ন ধৰণৰ বন, জোপোহা আদিৰে এই সৰু হাবিখনৰ সৃষ্টি হৈছে, সাগৰৰ তলিতো বোলে এনে ধৰণৰ হাবি আছে – কথাটো সঁচানে?

মৃদুল – বন্যা, তুমি এটা ওতি গুৰুত্বপূৰ্ণ কথা উলিয়াইছা। স্থলভাগৰ লেখীয়াকৈ সাগৰ – মহাসাগৰতো এক ধৰণৰ অৰণ্য আছে। পানীত নিমজ্জিত, অৰ্থাৎ বুৰ গৈ থকা অৰণ্য। শেলাই জাতীয় উদ্ভিদৰ অৰণ্য, ইংৰাজীত ইয়াক Kelp forest বুলি কোৱা হয়। এইবোৰ উদ্ভিদে এক ধৰণৰ শিপাৰে সাগৰৰ তলিত খামুচি ধৰি থাকে আৰু পাতেৰে সৈতে ওপৰলৈ বাঢ়ি আহে। সেইবোৰেই পানীৰ তলত ঘন অৰণ্যৰ ৰূপ লয়। তাতে মাছৰ লগতে নানা প্ৰজাতিৰ সামুদ্ৰিক প্ৰানীয়ে বিচৰণ কৰে।

হীৰেণ – আমাৰ বিলবোৰতো দেখোন পানীৰ তলত ক্ষুদ্ৰ ৰূপত হ'লেও শেলাই জাতীয় উদ্ভিদৰ অৰণ্য দেখা যায়, নহয়নে মামা?

মৃদুল – তুমি ঠিকেই কৈছা। সাগৰ- মহাসাগৰৰ ক্ষেত্ৰতো ৯০ শতাংশতকৈও অধিক উদ্ভিদ মূলতঃ শেলাই জাতীয়। এইবোৰ নিম্নখাপৰ অপুষ্পক উদ্ভিদ। এইবোৰৰ বেছিভাগেই পানীত ওপঙি থকাৰ দৰে থাকে।

হীৰেণ – মামা, যিদিনা খবৰৰ কাগজত পঢ়িবলৈ পাইছিলো – সাগৰত থকা প্ৰবাল পাচীৰবোৰ বোলে প্ৰদূষণৰ কবলত পৰিছে।

বন্যা – কি প্ৰবাল প্ৰাচীৰৰ কথা কৈছা মামা?

মৃদুল- শুনা, প্ৰবাল এবিধ সাগৰীয় প্ৰানী। ইংৰাজীত ইয়াক Coral বুলি কোৱা হয়। এক বিশেষ সামুদ্ৰিক পৰিৱেশত এই প্ৰানীবোৰৰ জন্ম আৰু বৃদ্ধি হয়। প্ৰবালবোৰে সাধাৰণতে দল বান্ধি থাকে। সেইবোৰ মৰিলে তাৰ কঠিন খোলাবোৰ জমা হৈ হৈ দ্বীপৰ ৰূপ লয়। উপকূলৰ সমান্তৰালকৈ অগভীৰ সাগৰত গঢ়ি উঠা এনে দীঘলীয়া প্ৰবাল দ্বীপক প্ৰবাল প্ৰাচীৰ বোলে।

বন্যা – বুজিলো, পিছে, প্ৰবালবোৰেনো সাগৰত কি খাই জীয়াই থাকে?

মৃদুল – সাগৰত প্লাংকটন নামৰ এবিধ ক্ষুদ্ৰ জীৱ থাকে। এই প্লাংকটনবোৰকে খাদ্য হইচাপে ব্যৱহাৰ কৰি প্ৰবালবোৰ বৰ্ত্তি থাকে। সেয়েহে সাগৰ- মহাসাগৰৰ প্লাংকটন বেছিকৈ থকা অংশবোৰতহে প্ৰবালৰ প্ৰাধান্য বেছি। সাগৰৰ পানী প্ৰদূষিত হ'লে প্লাংকটন আৰু প্ৰবাল দুয়ো বিধৰে স্থিতি আৰু বৃদ্ধি ব্যাহত হয়। লগতে প্ৰবাল প্ৰাচীৰবোৰত থকা মাছ আৰু অন্য জীৱৰ বৈচিত্ৰ্যও হ্ৰাস পাবলৈ ধৰে। সাম্প্ৰতিক কালত মহাসাগৰৰ পানীৰ উষ্ণতা বৃদ্ধিৰ লগতে প্ৰবাল পাচীৰবোৰত মানুহৰ বাঢ়ি অহা ক্ৰিয়া – কলাপে ইয়াৰ যথেষ্ট ক্ষতিসাধন কৰিছে।

হীৰেণ – এই মহাসাগৰবোৰৰ পৰিৱেশৰ কথা ভাবিলে আচৰিত লাগে। পৃথিৱীৰ পাঁচোখন বিশাল মহাসাগৰে কি যে এক ৰহস্যময় পৰিৱেশৰ সৃষ্টি কৰিছে! ভয় লাগে – মানুহে মহাদেশবোৰৰ দৰে ভৱিশ্যতে মহাসাগৰবোৰৰো ক্ষতি সাধন কৰিব নেকি?

বন্যা – ইমান সহজ নহয় দেই দাদা, পৃথিৱীৰ উপৰিভাগৰ প্ৰায় চাৰিভাগৰ তিনিভাগ দেখোন মহাসাগৰেই আৱৰি আছে। মহাদেশবোৰত থকা আমাৰ দৰে মানুহবোৰেনো বিশাল মহাসাগৰবোৰৰ সিমান ক্ষতি কৰিব পাৰিবনে?

মৃদুল – ( আনন্দ প্ৰকাশ কৰি) হীৰেণ, বন্যা – তোমালোকে এটা অতি গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিছা। ঠিকেইতো, মানুহে জানো ইমান বিশাল মহাসাগৰৰ ক্ষতি সাধন কৰিব পাৰিব?
শুনা ... গোটেই কেইখন মহাসাগৰ আৰু তাৰ উপকূলীয় অঞ্চলবোৰ দেখাৰ সৌভাজ্ঞ যদি তোমালোকৰ কেতিয়াবা ঘটে, তেতিয়াহ'লে নিশ্চয় উপলব্ধি কৰিব পাৰিবা এই প্ৰশ্নৰ তাৎপৰ্য্য সম্বন্ধে।

বন্যা – মামা, এইখিনিতে এটা কথা মোৰ মনলৈ আহিছে। আমাৰ এই নদীবোৰ বৈ গৈ শেহত সাগৰত পৰিছে। নদীবোৰ কেৱল যে পানীহে কঢ়িয়ায়, এনে নহয়, নানা ধৰণৰ গেদ, জাবৰ-জোঁথৰ আৰু আমি পেলাই দিয়া প্লাষ্টিকৰ বেগবোৰো দেখোন নদীয়ে কঢ়িয়াই নি সাগৰত পেলায়।

হীৰেণ – কেৱল সেয়াই জানো? সাগৰ-মহাসাগৰৰ মাজেৰে যোৱা বৃহৎ মালবাহী জাহাজবোৰ, খাৰুৱা তেল কঢ়িওৱা জাহাজবোৰ আৰু যুদ্ধ জাহাজবোৰে জানো সাগৰ-মহাসাগৰৰ কম ক্ষতি সাধন কৰে?

মৃদুল - ... তোমালোকে ইমানবোৰ কথা জানা বুলি মই ভবাই নাছিলো। মোৰ বৰ ভাল লাগিছে যে তোমালোক মহাসাগৰৰ পৰিৱেশ সম্বন্ধে কিছু হ'লেও সচেতন। এই সজাগতা আৰু বঢ়াব লাগিব।
... শুনা, পৃথিৱীৰ বেছিভাগ মানুহ এতিয়াও নদী উপত্যকা আৰু সাগৰৰ উপকূল অঞ্চলত কেন্দ্ৰিভূত হৈ আছে। পৃথিৱীৰ মুঠ জনসংখ্যাৰ প্ৰায় ৪৪ শতাংশহে (44%) সাগৰৰপৰা মাত্ৰ ১৫০ কিল'মিটাৰৰ ভিতৰৰ উপকূলীয় অঞ্চলত বসতি কৰি আছে। এওঁলোকৰ প্ৰভাব কাষৰীয়া সাগৰত প্ৰক্ষভাৱে পৰে। উপকূলৰ ওচৰৰ সাগৰৰ জলভাগ অগভীৰ। সাগৰ-মহাসাগৰৰ আপেক্ষিকভাৱে অগভীৰ অংশতে জীৱৰ স্থিতি সবল। এনে অগভীৰ অংশবোৰে মুঠ জলভাগৰ প্ৰায় ৭ শতাংশ (7%) আগুৰি আছে। এইবোৰতেই বিখ্যাত মৎস্যক্ষেত্ৰবোৰ সিচঁৰতি হৈ আছে।

হীৰেণ – পৃথিৱীৰ ডাঙৰ ডাঙৰ মহানগৰবোৰো দেখেসোন উপকূল অঞ্চলতে অৱস্থিত।

বন্যা – আমাৰ গুৱাহাটী মহানগৰৰ আবৰ্জনাবোৰ ভৰলু নৈখনলৈ যোৱাৰ দৰে উপকূলীয় নগৰবোৰৰ আবৰ্জনাবোৰো ওচৰৰ সাগৰলৈ যায় নেকি?

মৃদুল – সেইটোৱেতো ডাঙৰ সমস্যা। উপকূলীয় জলভাগতে মানুহৰ প্ৰভাৱ সবাতোকৈ বেছি। জনবসতি আৰু উদ্যোগৰপৰা নিৰ্গত পেলনীয়া দ্ৰব্যবোৰে কাষৰ সাগৰৰ পানী প্ৰদূষিত কৰে।
... তদুপৰি গোলকীয় উষ্ণতা বৃদ্ধিৰ ফলত ক্ৰমে উঠি অহা সাগৰপৃষ্ঠ, ঘূৰ্ণীবতাহ আৰু ছুনামিৰ দৰে ভয়াবহ সাগৰৰ ঢৌৱে উপকূল অঞ্চলকে আক্ৰান্ত কৰে। ... অৱশ্যে উপকূলীয় এলেকাত থকা মেনগ্ৰ'ভ নামৰ বিশেষ এবিধ অৰণ্যই সাধাৰণতে উপকূলভাগক ধ্বংসকাৰী ঢৌৰ পৰা ৰক্ষা কৰে। পিছে, সেই অৰণ্যও সম্প্ৰতি মানুহৰ অত্যাচাৰৰ বলি হৈছে। উপকূলীয় মেনগ্ৰ'ভ অৰণ্য প্ৰায় নহোৱাৰ দৰেই হৈছে।

বন্যা – এই সমস্যাবোৰৰ সমাধান নাই নেকি মামা?

হীৰেণ – সমাধান নিশ্চয় ওলাব। মানুহে যিদৰে সমস্যাৰ সৃষ্টি কৰে, সেইদৰে সমস্যাৰ সমাধানো কৰিব পাৰে। তাৰ বাবে লাগিব ইচ্ছা, একাগ্ৰতা আৰু দায়বদ্ধতা।

মৃদুল – হীৰেণ, তুমি ঠিকেই কৈছা।

বন্যা – মই এটা কথা কওঁ মামা। সমস্যাবোৰ সমাধান কৰিবলৈ যোৱাৰ আগতে আমি সেইবোৰ ভালদৰে বুজিব লাগিব। মহাদেশ আৰু মহাসাগৰৰ মাজৰ সম্পৰ্কনো কি? পৃথিৱীৰ জলবায়ুৰ ওপৰত মহাসাগৰৰ প্ৰভাৱ কি? মহাসাগৰৰ পৰা দূৰৈত থকা আমাৰ দৰে মানুহৰ এই ক্ষেত্ৰত একো কৰণীয় নাই নেকি?

মৃদুল – বন্যা, তুমি দেখোন হীৰেণতকৈও এখোপ আগবাঢ়ি গৈ কথাবোৰ কৈছা। সমস্যা সমাধানৰ প্ৰতি তোমালোকৰ দৰে সকলোৰে আগ্ৰহ জন্মিলে সমাধান নিশ্চয় ওলাব। আমি এই ক্ষেত্ৰত সচেতন হ'ব লাগিব। আমাৰ কোনো কাম – কাজেই যাতে মহাসাগৰৰ পৰিৱেশ নষ্ট নকৰে, তাৰ প্ৰতি আমি লক্ষ্য ৰাখিব লাগিব।
... এই মাত্ৰ যে মই মেনগ্ৰ'ভ অৰণ্যৰ কথা ক'লো – সেই অৰণ্য জৈৱ- বৈচিত্ৰ্যৰ ক্ষেত্ৰত বৰ চহক। মহাদেশ আৰু মহাসাগৰৰ সংগমস্থলিত গঢ়ি উঠা এই বিধ অৰণ্য আমি সহজে সংৰক্ষণ কৰিব পাৰো। কিন্তু দুখৰ বিষয় যে তাত থকা উদ্ভিদবোৰ আমি যধে মধে নষ্ট কৰো। আমাৰ পেলনীয়া দ্ৰব্যবোৰ সেইবোৰতে নিক্ষেপ কৰো। তদুপৰি, উপকূল অঞ্চলত মানুহৰ ক্ৰিয়া-কলাপ বৃদ্ধি হৈ অহাৰ ফলত উপকূলীয় পৰিৱেশ বৰ্ধিত হাৰত নষ্ট হ'ব লাগিছে।

হীৰেণ – হয়তো, ভাবিলেই ভয় লাগে। আমাৰ পেলনীয়া দ্ৰব্যবোৰ নৈ-নলাৰে সদায় সাগৰলৈয়ে গৈ থাকে, তেতিয়াহ'লে সাগৰৰ পৰিৱেশৰ এদিন কি অৱস্থা হ'ব!

মৃদুল – সাগৰ-মহাসাগৰ পৃথিৱীৰ সামগ্ৰিক পৰিৱেশৰে অংশ মাথোন। মহাসাগৰৰ পৰিৱেশৰ নেতিবাচক পৰিবৰ্তন ঘটিলে তাৰ প্ৰভাৱ মহাদেশৰ ওপৰতো পৰিব। এই যে, গোলকীয় উত্তাপ বৃদ্ধিৰ কথা কৈ থকা হৈছে, তাৰ ফলতেই দেখোন সাগৰপৃষ্ঠ ওপৰলৈ উঠি আহিব ধৰিছে। সাগৰপৃষ্ঠ ুঠি আহিলে উপকূলভাগ ক্ৰমে পানীত বুৰ নাযাব জানো?

বন্যা – তেতিয়া সাগৰৰ পাৰৰ নগৰ- মহানগৰবোৰৰ কি অৱস্থা হ'ব?

মৃদুল – সেই কাৰনেইতো আমি সকলো ক্ষেত্ৰতে সাবধান হ'ব লাগে। আমি যিবোৰ কাম কৰো, সেইবোৰ পৰিৱেশতন্ত্ৰৰ ভিতৰতে কৰো। পৰিৱেশত সেইবোৰৰ ক্ৰিয়া – প্ৰতিক্ৰিয়া আছে। আমাৰ কোনো কাম-কাজে যাতে ওচৰৰ নদীখন বা বিলখনৰ পৰিৱেশ নষ্ট কৰিব নোৱাৰে, তাৰ প্ৰতি আমি সজাগ হ'ব লাগিব। আমাৰ পেলনীয়া দ্ৰব্যবোৰ ভালদৰে শ্ৰেণী বিভক্ত কৰি আমি সেইবোৰৰ পুনৰ ব্যৱহাৰৰ ব্যৱস্থা কৰিব নোৱাৰোনে? প্লাষ্টিকৰ দৰে পদাৰ্থবোৰ সহজে Recycle, অৰ্থাৎ পুনৰ ব্যৱহাৰ কৰিব পাৰি।

পেলনীয়া জৈৱিক পদাৰ্থবোৰ অতি সহজে পচন সাৰ বা ইন্ধনলৈ ৰূপান্তৰিত কৰিব পাৰি। মুঠতে, সেইবোৰ আমি পোনে পোনে নৈ-বিল-সাগৰলৈ ঠেলি দিয়া উচিত নহয়।
... মহাদেশৰ পৰিৱেশতন্ত্ৰৰ ভাৰসম্য ৰক্ষা কৰাৰ লগত মহাসাগৰ সুৰক্ষা ওত-প্ৰোতভাৱে জড়িত হৈ আছে। আমি মানুহবোৰ পৰিবেশতন্ত্ৰৰ শক্তিশালী অংশীদাৰ। আমাৰ ওপৰতে পৃথিবীৰ পৰিৱেশৰ ভৱিষ্যত প্ৰধানকৈ নিৰ্ভৰ কৰিছে।

বন্যা – মামা, কথাবোৰ বৰ ভাল লাগিছে। তুমি কিন্তু আৰু এদিন আহিব লাগিব। মই মহাসাগৰৰ বিষয়ে আৰু পঢ়িম। Internet ৰ যোগেদিও তথ্য সংগ্ৰহ কৰিম আৰু বহুতো প্ৰশ্ন লৈ তোমালৈ বৈ থাকিম। তুমি আহিব লাগিব কিন্তু।

হীৰেণ – বন্যাই ঠিকেই কপিছে। ময়ো এই বিষয়ে নিজকে সাজু কৰিম। বন্ধু – বান্ধৱৰকো ক'ম। ... পিছে ... দুপৰীয়া হৈ আহিল। মাঁহতে চিন্তা কৰিব। ঘৰলৈ যোৱাই ভাল হ'ব নেকি মামা?

মৃদুল – অ', ঠিকেইতো। ময়ো সোনকালে যাব লাগিব। ব'লা।

*****************************************************************

প্ৰশ্ন/ প্ৰস্তুতি – ড০ শ্যামা প্ৰসাদ শৰ্মা

১. তিমি মাছৰ প্ৰধান খাদ্য কি?

- ক্ৰিল নামৰ এবিধ ক্ষুদ্ৰ সাগৰীয় প্ৰানী।

২. উপকূল অঞ্চলক সাগৰীয় ঢৌৰপৰা ৰক্ষা কৰা অৰণ্যবিধ কি?

- মেনগ্ৰ'ভ বা সুন্দৰবনী অৰণ্য।

*****************************************************************